NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-06-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। গৃহমন্ত্ৰী অমিত শ্বাহে জম্মু-কাশ্মীৰৰ নিৰাপত্তা ব্যৱস্থা আৰু অমৰনাথ যাত্ৰাৰ প্ৰস্তুতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যে আজি এখন উচ্চ পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰে।

২। উপ-ৰাষ্ট্ৰপতি জগদ্বীপ ধনখড়ে আজি সংসদভৱন চৌহদত নতুনকৈ নিৰ্মাণ কৰা **প্ৰেৰণা স্থল** উদ্বোধন কৰে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব।

৪। ছিকিমৰ বান বিধবস্ত অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান পূৰ্ণ গতিত অব্যাহত আছে। ***আৰু***

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মহিলা ক্ৰিকেট দলৰ মাজৰ প্ৰথমখন এদিনীয়াত আজি ভাৰতে দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ২৬৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে।

০০০০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহে জম্মু-কাশ্মীৰৰ নিৰাপত্তা ব্যৱস্থা আৰু অমৰনাথ যাত্ৰাৰ প্ৰস্তুতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যে নতুন দিল্লীত আজি এখন উচ্চ পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত শ্ৰী শ্বাহে জম্মু  কাশ্মীৰত শেহতীয়াকৈ হোৱা সন্ত্ৰাসবাদী কাৰ্যকলাপৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ নিৰাপত্তা ব্যৱস্থাৰ বুজ লয়। কাশ্মীৰ উপত্যকাত যিদৰে সন্ত্ৰাসবাদী কাৰ্যকলপাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ জৰিয়তে শান্তি প্ৰতিষ্ঠা হৈছে, সেই একে ব্যৱস্থা গ্ৰহণ কৰি জম্মু অঞ্চল সন্ত্ৰাসবাদ মুক্ত কৰি তোলাৰ বাবে গৃহমন্ত্ৰী গৰাকীয়ে সংশ্লিষ্ট সংস্থাসমূহক নিৰ্ৰ্দেশ দিয়ে। তেওঁ লগতে কয় যে নৰেন্দ্ৰ মোদী চৰকাৰ অভিনৱ পদ্ধতিৰে সন্ত্ৰাসবাদ নিয়ন্ত্ৰণ কৰি সমাজত আদৰ্শ প্ৰতিষ্ঠা কৰিবলৈ প্ৰতিশ্ৰুতি বদ্ধ।

ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত দোৱাল, জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা, কেন্দ্ৰীয় গৃহ সচিব অজয় ভাল্লা, ইণ্টেলিজেন্স ব্যুৰোৰ সঞ্চালক, সেনা বাহিনীৰ মুৰববীকে ধৰি জ্যেষ্ঠ সেনা বিষয়াসকল, কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ সঞ্চালক প্ৰধান, জম্মু আৰু কাশ্মীৰৰ মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধানকে ধৰি কেইবাগৰাকীও বিশিষ্ট লোক বৈঠকত উপস্থিত থাকে। উল্লেখযোগ্য যে ২৯ জুনত বাৰ্ষিক অমৰনাথ যাত্ৰা আৰম্ভ হ'ব। এই যাত্ৰা ১৯ আগষ্টলৈ অব্যাহত থাকিব।

০০০০০০০০

উপ-ৰাষ্ট্ৰপতি তথা ৰাজ্যসভাৰ সভাপতি জগদ্বীপ ধনখড়ে আজি সংসদভৱন চৌহদত নতুনকৈ নিৰ্মাণ কৰা **প্ৰেৰণা স্থল** উদ্বোধন কৰে। উদ্বোধনী কাৰ্যসূচীত ৰাজ্যসভাৰ উপসভাপতি হৰিবংশ নাৰায়ণ সিং, সংসদীয়

পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৰ লগতে ৰাজ্যসভা আৰু লোকসভাৰ সদস্যসকল উপস্থিত থাকে। বিভিন্ন দেশৰ প্ৰতিনিধি তথা অন্যান্য দৰ্শনাৰ্থীসকলে যাতে সংসদভৱন চৌহদৰ একেটা স্থানতে কোনো ধৰণৰ অসুবিধা নোহোৱাকৈ মহান নেতা আৰু স্বাধীনতা যুঁজাৰুসকলৰ প্ৰতিমূৰ্তি দৰ্শন কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব পাৰে তাৰ বাবে এই প্ৰেৰণা স্থল নিৰ্মাণ কৰা হৈছে। তদুপৰি এই মহান ব্যক্তিসকলৰ জীৱন কাহিনী আৰু বাণীসমূহৰ যোগেদি দৰ্শনাৰ্থীসকলক অনুপ্ৰাণিত কৰিব পৰাকৈ নতুন প্ৰযুক্তিৰ জৰিয়তে ব্যৱস্থা গ্ৰহণৰ বাবে কাৰ্যকৰি আঁচনিও হাতত লোৱা হৈছে। এই প্ৰেৰণা স্থলত সকলো প্ৰতিমূৰ্তিৰ চাৰিওকাষে সেউজীয়া ঘাহনি আৰু বাগিচা পতা হৈছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয় যে সংসদে প্ৰেৰণা স্থলৰ এটা নিৰ্দিষ্ট স্থানত দেশৰ সকলো মহান ব্যক্তি, স্বাধীনতা সংগ্ৰামী, আধ্যাত্মিক আৰু সাংস্কৃতিক নেতাসকলৰ প্ৰতিমূৰ্তি স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হব অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয় কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথম খণ্ড।

প্ৰধানমন্ত্ৰ৪ীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম সচিবালয়ত আজি সৌৰশক্তি প্ৰকল্প মুকলি কৰে। এই প্ৰকল্পৰ জৰিয়তে মাহে গড়ে তিনি লাখ ইউনিট বিদ্যুৎ উৎপাদন কৰি প্ৰচলিত শক্তিৰ উৎসৰ ব্যৱহাৰ হ্ৰাস কৰাৰ লক্ষ্য লোৱা হৈছে। ১২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰকল্প মুকলি কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, এই প্ৰকল্পৰ জৰিয়তে অসম সচিবালয়ৰ দেশৰ প্ৰথম সেউজ সচিবালয়ৰূপে পৰিণত হৈছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, শীঘ্ৰে ৰাজ্যৰ প্ৰধান চিকিৎসালয়, চৰকাৰী কাৰ্যালয়, আৰু বিশ্ববিদ্যালয়ত সৌৰ শক্তিৰ ব্যৱস্থা কৰা হব। ৰাজ্যবাসীক ঘৰত সৌৰশক্তি পেনেল বহাবলৈ তেওঁ আহ্বান জনায়। সৌৰশক্তি ব্যৱহাৰ কৰাৰ লোকক প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনিৰ জৰিয়তে চৰকাৰে ৰাজ সাহায্য প্ৰদান কৰিব বুলিও তেওঁ উল্লেখ কৰে। ইপিনে, পহিলা জুলাইৰ পৰা মন্ত্ৰী-বিধায়ক আৰু প্ৰথম শ্ৰেণীৰ বিষয়াসকলক ঘৰুৱা বিদ্যুৎ মাচুল নিজে নিজে পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে অহা বছৰৰ পহিলা জুলাইৰ পৰা ৰাজ্যৰ নিম্ন, মধ্যবিত্ত আৰু দুখীয়া লোকৰ বিদ্যুৎৰ মাছুল এক টকাকৈ কমাবলৈ বিদ্যুৎ বিভাগক নিৰ্দেশ দিয়ে।

০০০০০০০০

ছিকিমৰ বান বিধবস্ত অঞ্চলসমূহত বিশেষকৈ বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত মংগন জিলাত উদ্ধাৰ আৰু সাহায্য অভিযান পূৰ্ণ গতিত অব্যাহত আছে। ৰাজ্যখনৰ বন আৰু পৰিৱেশ মন্ত্ৰী পিঞ্চ' নামগয়াল লেপচাই জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলৰ সৈতে মংগন জিলাৰ নামনি ঝুছিং আৰু ৰালক অঞ্চল পৰিদৰ্শন কৰে। জিলাখনৰ প্ৰায় ১০ হাজাৰ লোকক সাময়িকভাৱে স্থানান্তৰিত কৰা হৈছে। ইফালে, ৰাজ্যিক পৰ্যটন আৰু অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ছেৰিম ঠেণ্ডুপ ভুটিয়াৰ নেতৃত্বত আজি জিলাখনৰ লাচুং আৰু চুংথাঙৰ পৰা ১৫ গৰাকী বিদেশী পৰ্যটকক ধৰি প্ৰায় দুহেজাৰ পৰ্যটকৰ উদ্ধাৰ অভিযান অব্যাহত অছে। প্ৰতিকূল বতৰ আৰু ভূমিস্খলনত পথ বন্ধ হৈ পৰাৰ ফলত এই ক্ষেত্ৰত কিছু অসুবিধাই দেখা দিয়ে। মংগনৰ জিলা আয়ুক্ত হেমকুমাৰ ছেত্ৰীয়ে আকাশবাণীক জনোৱা মতে প্ৰতিকূল বতৰ তথা কেইবাটাও অঞ্চলত পথ যোগাযোগ বন্ধ হৈ পৰাৰ পৰিপ্ৰেক্ষিতত পৰ্যটকসকলক সম্প্ৰতি বিমানেৰে লৈ অহাতো অসম্ভৱ হৈ পৰিছে। আবদ্ধ হৈ থকা পৰ্যটকসকলক নিৰাপদ হোটেলত ৰাখাৰ ব্যৱস্থা কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। তেওঁ কয় যে, বতৰ ভাল হ'লে পৰ্যটকসকলক নিৰাপদে ঘূৰাই অনাৰ বাবে যাৱতীয় সকলো ব্যৱস্থা কৰা হ'ব।

উল্লেখযোগ্য যে, ধাৰাষাৰ বৰষুণ আৰু ভূমিস্খলনৰ ফলত ৰাজ্যখনত এতিয়ালৈকে ৯জন লোকৰ মৃত্যু হোৱাৰ লগতে প্ৰায় দুহেজাৰ পৰ্যটক মংগন জিলাত আবদ্ধ হৈ আছে। সাহায্য প্ৰদানৰ অংশ হিচাপে মৃত লোককেইজনৰ নিকতাত্মীয়লৈ ৪ লাখ টকাৰ একালীন সাহায্য প্ৰদান কৰা হ'ব। আনহাতে জিলাখনত বানত খতিগ্ৰস্ত লোকসকলৰ বাবে পৰ্যাপ্ত পৰিমাণে ৰেচন মজুত কৰি ৰখা হৈছে। যোৱা শনিবাৰে ৰংপোত পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ৰ উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলে ছিকিম চৰকাৰৰ পথ আৰু দলং বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে মিলিত হৈ ৰাজ্যখনৰ বান পৰিস্থিতিৰ বুজ লয়।

০০০০০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত কাইলৈ নিশা চাৰে ন বজাত স্বাস্থ্য আৰু কল্যাণৰ বাবে যোগ সন্দৰ্ভত মোৰাৰজী দেশাই ৰাষ্ট্ৰীয় যোগ প্ৰতিষ্ঠানৰ যোগ বিশেষজ্ঞ ডাঃ সুৰক্ষিত গোস্বামী আৰু যোগ চিকিৎসা কাৰ্যসূচী বিষয়া ডাঃ ঈশ্বৰ এন আচাৰ্য্যৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি **যোগভ্যাসৰ বিভিন্ন দিশ** সম্পৰ্কে বিশেষজ্ঞ দুৰাকীক প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেৱছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান প্ৰচাৰ হব।

০০০০০০০০

বাংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মহিলা দলৰ তিনিখনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন এদিনীয়াত আজি ভাৰতে দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ২৬৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। আমালৈ বাতৰি অহা পৰলৈকে দক্ষিণ আফ্ৰিকাই ২২ অভাৰত ৪ টা উইকেট হেৰুৱাই ৭২ ৰান কৰি খেলি আছে।

হৰমনপ্ৰীত কৌৰৰ নেতৃত্বৰ ভাৰতৰ মহিলা দলটোৱে প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৮ টা উইকেট হেৰুৱাই ২৬৫ ৰাণ কৰে। দলৰ হৈ স্মৃতি মান্ধানাই ১১৭ ৰাণ কৰে। আলহী দলটোৰ আয়াবুংগা খাকাই তিনিটা আৰু মাছাবাটা ক্লাছে দুটাকৈ উইকেট দখল কৰে। উল্লেখযোগ্য যে ২০২৫ চনৰ আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেটৰ প্ৰস্তুতিৰ ক্ষেত্ৰত দুয়োটা দলৰ বাবে এই শৃংখলাটো অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব।

০০০০০০০০

পাকিস্তান আজি ফ্লোৰিডাত হবলগীয়া আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ এৰ এখন খেলত আয়াৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হব। দুয়োটা দল ইতিমধ্যে প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। গ্ৰুপ এৰ পৰা ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই চুপাৰ এইট পৰ্যায়ত স্থান নিশ্চিত কৰিছে।

০০০০০০০০

ইটালীৰ পেৰুজিয়াত চলি থকা এ টি পি চেলেঞ্জাৰ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ফাইনেলত আজি ভাৰতৰ সুমীত নাগাল আৰু ইটালীৰ লুছিয়ানো ডাৰডেৰী মুখামুখী হ'ব। ষষ্ঠ বাছনিৰ ভাৰতীয় খেলুৱৈগৰাকীয়ে কালি অনুষ্ঠিত চেমি ফাইনেলত স্পেইনৰ বাৰনাবে জাপাতা মিৰালেছক ৭-৬, ১-৬, ৬-২ ছেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

ইপিনে, পুৰুষৰ ডাবলছৰ ফাইনেলত ভাৰতৰ এন শ্ৰীৰাম বালাজী আৰু জাৰ্মানীৰ এন্দ্ৰে বেজেমানৰ যুটীটোৱে শীৰ্ষ বাছনিৰ যুটী আৰ্জেণ্টিনাৰ গুইদ' এন্দ্ৰেঅ'জি আৰু মেক্সিকোৰ মিগুৱেল এঞ্জেল ৰেয়েছ ৱাৰেলাৰ হাতত ৪-৬, ৫-৭ ছেটত পৰাস্ত হয়।

০০০০০০০০

সমাপ্ত